# REGIONAL NEWS UNIT
AKASHVANI :: GUWAHATI

0000000000

**Date : 25-02-2025**
**Time :** 21-25 Hrs

***Assamese Night Bulletin***

**:::::::::::::::::::::::::::::::**

ৰাজ্য চৰকাৰে ডিজিটেল আন্তঃগাঁথনি সৰলীকৰণেৰে এখন নতুন অসম গঢ়িবলৈ প্ৰতিশ্ৰুতিবদ্ধ বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। কেন্দ্ৰীয় যোগাযোগ তথা উত্তৰ পূৰ্বাঞ্চল উন্নয়ন দপ্তৰৰ মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াৰ উপস্থিতিত আজি গুৱাহাটীত অনুষ্ঠিত বিনিয়োগ সন্মিলন এডভাণ্টেজ আচামৰ দ্বিতীয় সংস্কৰণৰ অংশ হিচাপে আই ৰে'ৰ জৰিয়তে বিকশিত অসম শীৰ্ষক বিষয় ভিত্তিক সত্ৰত ভাষণ দি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে কেন্দ্ৰীয় চৰকাৰৰ সহযোগত ডিজিটেল বিপ্লৱৰ অংশীদাৰ হ'বলৈ অসম সম্পূৰ্ণৰূপে সাজু। ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক ব্ৰহ্মপুত্ৰৰ জৰিয়তে বংগোপসাগৰৰ পৰা অপটিকেল ফাইবাৰ অনাৰ সম্ভাৱনাৰ অধ্যয়ন কৰিবলৈ অনুৰোধ জনায়। এনে হ'লে ৰাজ্যত দ্ৰুত আৰু নিৰ্ভৰযোগ্য তথ্য লাভৰ ক্ষেত্ৰত মাইলৰ খুটি হিচাপে প্ৰমাণিত হ'ব বুলি তেওঁ উল্লেখ কৰে। বিপিঅ' সমূহে প্ৰথম স্তৰৰ চহৰৰ পৰা দ্বিতীয় আৰু তৃতীয় স্তৰৰ চহৰলৈ ভিত্তি স্থানান্তৰিত কৰিছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয়, যে অহা ২ - ৩ বছৰৰ ভিতৰত গুৱাহাটী, ডিব্ৰুগড় আৰু যোৰহাটৰ দৰে চহৰত বিপিঅ' গঢ়ি উঠিব। তেওঁ কয়, যে ৰাজ্য চৰকাৰে ২৫ হাজাৰ ২৫০ খন গাঁৱৰ অপটিকেল ফাইবাৰেৰে সামৰি লোৱা অভিলাষী পৰিকল্পনা গ্ৰহণ কৰিছে। ৰাজ্যখনৰ কৃষক আৰু গ্ৰাম্য উদ্যোগীসকলৰ সুবিধাৰ্থে এই প্ৰকল্পৰ কাম শীঘ্ৰে সম্পূৰ্ণ কৰাৰ বাবে ড° শৰ্মাই কেন্দ্ৰীয় মন্ত্ৰীগৰাকীক সহায় আগবঢ়াবলৈ অনুৰোধ জনায়। মুখ্যমন্ত্ৰীয়ে লগতে ৪ হাজাৰ খন বনগাঁৱৰ দূৰসংযোগ ব্যৱস্থাৰে সামৰি লোৱাৰ বাবে অনুৰোধ জনায়। অনুষ্ঠানত অংশগ্ৰহণ কৰি কেন্দ্ৰীয় যোগাযোগ আৰু ড'নাৰ মন্ত্ৰীগৰাকীয়ে কয় যে ৰাষ্ট্ৰৰ বিকাশৰ ক্ষেত্ৰত অসমে নেতৃত্ব লোৱাৰ পূৰ্ণ সম্ভাৱনা আছে। তেওঁ কয়, যে ভৌগলিক অৱস্থানগত সুবিধাৰ লগতে অপাৰ সম্ভাৱনাৰ কথা বিবেচনা কৰিলে অসম অকল আছিয়ান দেশসমূহৰ বাবেই নহয়, ই সমগ্ৰ গ্লোৱেল চাউথ আৰু নিৰ্মাণ তথা পৰিবহন, সামগ্ৰী যোগানৰ কেন্দ্ৰৰূপে পৰিগণিত হোৱাৰ সম্ভাৱনা আছে।

এই সত্ৰত ৰাজ্যৰ তথ্য প্ৰযুক্তি মন্ত্ৰী কেশৱ মহন্ত, বিশেষ মুখ্য সচিব চৈয়দ্দিন আববাচি, বি এছ এন এলৰ মুখ্য পৰিচালন সঞ্চালক এ ৰবাৰ্ট জে ৰবি, মোবাইল বিজনেচ এণ্ড ডিভাইছেচ ৰিলায়েন্স ইনফকম লিমিটেডৰ অধ্যক্ষ সুনিল দত্তকে ধৰি ভালেকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০

এডভাণ্টেজ আছামৰ দ্বিতীয় সংস্কৰণত ৰাজ্যখনৰ বিনিয়োগ ক্ষেত্ৰত ১ লাখ ২২ হাজাৰ কোটি টকাৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰত অনুমোদন জনোৱা হৈছে। অন্যান্য জিলাতো আয়ুক্তসকলে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰিছে। কামৰূপ মহানগৰ জিলা প্ৰশাসনৰ উদ্যোগত আজি গুৱাহাটীৰ গণেশগুৰিৰ কৰ ভৱনৰ প্ৰেক্ষাগৃহতো

আজি এই সন্মিলনৰ অংশ হিচাপে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰা হয়। থলুৱা উদ্যোগসমূহক অধিক শক্তিশালী কৰাৰ বাবে ৭৬ খন চুক্তিপত্ৰত স্বাক্ষৰ কৰা হয়। নগাঁও জিলাত ৯৮ গৰাকী বিনিয়োগকাৰীয়ে বিভিন্ন উদ্যোগীক ক্ষেত্ৰত ৫১১ কোটি টকা বিনিয়োগ কৰিব। আজি ৩১ গৰাকী বিনিয়োগৰাকীয়ে চুক্তি স্বাক্ষৰ প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। বঙাইগাঁও জিলাত আজি এডভাণ্টেজ আছামৰ উদ্বোধনী অনুষ্ঠানৰ পোনপটীয়া সম্প্ৰচাৰ কৰাৰ উপৰি ২৪ গৰাকী ব্যৱসায়ী আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ মহাপ্ৰবন্ধক তথা সংশ্লিষ্ট বিষয়াসকলৰ মাজত বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। তামুলপুৰ জিলাতো আজি এই অনুষ্ঠানৰ আয়োজন কৰা হয়। শ্ৰীভূমি জিলাত আজি ৩২ গৰাকী উদ্যোগপতিয়ে ১২১ কোটিতকৈ অধিক টকাৰ বিনিয়োগৰ বাবে জিলা প্ৰশাসনৰ সৈতে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। শোণিতপুৰ জিলাত আজি ৩৮ টা উদ্যোগ প্ৰতিষ্ঠানৰ সৈতে জিলা প্ৰশাসনে বুজাবুজিৰ চুক্তি স্বাক্ষৰ কৰে। একেদৰে কাৰ্বি আংলং জিলাত তালিকাভুক্ত বিনিয়োগৰাকীৰ সৈতে অসম চৰকাৰৰ হৈ জিলা আয়ুক্ত নিৰলা ফাংছপিয়ে ৯৫ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। চৰাইদেউ জিলা আয়ুক্ত ডাঃ নেহা যাদৱ আৰু জিলা উদ্যোগ বাণিজ্য কেন্দ্ৰৰ সাধাৰণ প্ৰৱন্ধকে আজি এডভাণ্টেজ আছামৰ অংশ হিচাপে জিলা আয়ুক্তৰ কাৰ্যালয়ত ৪৯ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। **তিনিচুকীয়া** জিলাত আজিৰে পৰা দুদিনীয়াকৈ এই সন্মিলনৰ অংশ হিচাপে আয়োজিত কাৰ্যসূচীত ৫০ কোটি টকাতকৈ কম ধন বিনিয়োগ কৰিব বিচৰা ব্যৱসায়ীসকলৰ সৈতে জিলা প্ৰশাসনে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিছে। আজি ৪১ গৰাকী বিনিয়োগকাৰীয়ে ২৬৯ কোটি ৭৫ লাখ টকা বিনিয়োগৰ বাবে চুক্তি স্বাক্ষৰ কৰে। শিৱসাগৰ জিলাতো আজি এই সন্মিলনৰ অংশ হিচাপে বুজাবুজিৰ চুক্তি স্বাক্ষৰ প্ৰক্ৰিয়া আৰম্ভ হৈছে। নলবাৰী জিলাত মুঠ ৪৮ গৰাকী উদ্যোগপতি ব্যৱসায়ীয়ে প্ৰায় ২৫২ কোটি ৪২ লাখ টকা বিনিয়োগ কৰাৰ প্ৰতিশ্ৰুতিৰে বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে। কোকৰাঝাৰ, বৰপেটা, ধুবুৰী, দৰং, মঙলদৈ জিলাতো আজি বিনিয়োগকাৰীয়ে কেইবাখনো বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে।

উল্লেখযোগ্য যে এই সন্মিলনৰ অংশ হিচাপে জিলা পৰ্যায়ত ৫ লাখ টকাৰ পৰা ৫০ কোটি টকালৈ বিনিয়োগৰ বাবে জিলা আয়ুক্তসকলে ২ হেজাৰ ৫৯০ খন বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰিব বুলি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই ইতিপূৰ্বে প্ৰকাশ কৰিছিল। জিলা পৰ্যায়ত হোৱা এই চুক্তিৰ পৰা ১৫ হাজাৰ ৫৯০ কোটি টকা বিনিয়োগ হ'ব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰিছিল। বস্ত্ৰ শিল্পৰ পৰা আৰম্ভ কৰি বিভিন্ন ক্ষেত্ৰত বিনিয়োগ সন্দৰ্ভত এই চুক্তিসমূহ স্বাক্ষৰ কৰা হৈছে।

০০০০

কাইলৈ মহা শিৱৰাত্ৰি উপলক্ষে ৰাজ্যৰ প্ৰান্তে প্ৰান্তে দেৱাদিদেৱ মহাদেৱৰ আৰাধনাৰ বাবে ব্যাপক প্ৰস্তুতি চলিছে। শিৱ মন্দিৰসমূহ পূজাৰ বাবে সজাই পৰাই তোলা হৈছে। জিলা প্ৰশাসনে এই পূজা নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে।

০০০০

ঃঃ সমাপ্ত ঃঃ